■ RNP/GH-075/2015-17 ■ REGN. NO. 53902/95
■ e-paper : www.asomiyapratidin.in
e-mail : ■ asomiyapratidin@yahoo.co.in

# অসমীয়া প্ৰতিদিন

পৃঃ, ১৯৩৭ শক ■ মঙলবাৰ, ২২ ডিচেম্বৰ ■ ASOMIYA PRATIDIN ■ DECEMBER 22, 2015 ■ গুৱাহাটী, ডিব্ৰুগড়, লখিমপুৰ, বঙাইগাঁৱৰ পৰা প্ৰকাশিত ■ গুৱাহাটী সংস্কৰণ * / Guwahati Edition *

## গুৱাহাটীত স্কীপাৰৰ লিমিটেডৰ নিৰ্মাণ প্ৰকল্প

**প্ৰতিদিন বাণিজ্য সংবাদ ঃ** এটা নিৰ্মাণ প্ৰকল্প স্থাপনেৰে 'পি ভি চি পাইপ'ৰ আগশাৰীৰ নিৰ্মাণ প্ৰতিষ্ঠান স্কীপাৰ লিমিটেডে এইবাৰ খোজ পেলাইছে উত্তৰ-পূৰ্বাঞ্চলত। যোৱা ১৪ ডিচেম্বৰত গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰৰ সমীপত প্ৰতিষ্ঠানটোৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো নিৰ্মাণ প্ৰকল্পৰ কাম আৰম্ভ কৰা হয়। ঘৰুৱা ব্যৱহাৰ আৰু কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় পাইপ প্ৰস্তুতকাৰী প্ৰকল্পটোৰ উৎপাদন ক্ষমতা ৪ হেজাৰ এম টি পি এ নিৰ্ধাৰিত কৰা হৈছে। সোমবাৰে এই সন্দৰ্ভত জানিবলৈ দিয়ে স্কীপাৰ লিমিটেডৰ সঞ্চালক দেৱেশ বাজাজে। তেওঁ কয় যে স্কীপাৰে সমগ্ৰ দেশতে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াই আহিছে। বিশেষকৈ স্কীপাৰ লিমিটেডে প্ৰস্তুত কৰা প্ৰতিটো সামগ্ৰী সঠিক মানেৰে দেশৰ গ্ৰাহকৰ ওচৰ চপাই দিবলৈ চেষ্টা চলাই আহিছে। উত্তৰ-পূৰ্বাঞ্চলতো প্ৰতিষ্ঠানটোৱে সেই ধাৰা অব্যাহত ৰাখিবলৈ চেষ্টা কৰিব। কাৰণ, উত্তৰ-পূৰ্বাঞ্চলত ব্যৱসায়ৰ সম্ভাৱনীয়তা যথেষ্ট আছে। সেয়ে গুৱাহাটীত স্থাপন কৰা প্ৰকল্পটোৰ সামগ্ৰীবোৰ সমগ্ৰ দেশতে সমানে লাভ কৰিব বুলি আশা কৰা হৈছে। সম্পূৰ্ণ স্বয়ংক্ৰিয় প্ৰকল্পটোৱে সেয়ে উৎপাদিত সামগ্ৰীসমূহেৰে প্ৰয়োজনীয় চাহিদা পূৰ কৰি প্ৰতিযোগিতামূলক দামত গ্ৰাহকক সন্তুষ্ট কৰিব পাৰিব বুলি আশা ব্যক্ত কৰে সঞ্চালক বাজাজে। তেওঁ কয়, 'আমাৰ উৎপাদৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰ খুবেই প্ৰয়োজনীয়। সেয়ে অনাগত বছৰসমূহত আমাৰ বজাৰৰ অংশও ২০ শতাংশ বিনিয়োগ কৰাৰ আশা পুহি ৰাখিছো। লগতে এই প্ৰকল্পটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীণ বিকাশতো অংশীদাৰ হ'ব পাৰিব বুলি আশা ৰাখিছো।' উল্লেখ্য যে গুৱাহাটীত এই প্ৰকল্পটো প্ৰতিষ্ঠা কৰি স্কীপাৰ লিমিটেডে প্ৰধানমন্ত্ৰীৰ 'মেক ইন ইণ্ডিয়া'ৰ পদক্ষেপত সহযোগিতা আগবঢ়াব বিচাৰিছে। ইতিমধ্যে নিৰ্মাণ প্ৰতিষ্ঠানটোৰ পশ্চিমবংগৰ উলুবেৰিয়া আৰু গুজৰাটৰ আহমেদাবাদত দুটা প্ৰকল্প চলি আছে। তদুপৰি হায়দৰাবাদ আৰু উত্তৰ প্ৰদেশৰ ছিকেন্দ্ৰাবাদত দুটা প্ৰকল্প প্ৰতিষ্ঠাৰ পৰিকল্পনা কৰি আহিছে স্কীপাৰ লিমিটেডে।